**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। চৰকাৰে দেশত ৪ কোটিৰো অধিক সুকন্যা সমৃদ্ধি একাউণ্ট খোলা বুলি প্ৰকাশ কৰিছে।

২। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংসদীয় নিকায়সমূহ উন্নত আৰু গুৰুত্বপূৰ্ণ বিতৰ্ক আৰু আলোচনাৰ স্থানৰূপে গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিছে।

৩। ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে।

৪। উত্তৰ-পশ্চিম তুৰস্কৰ এখন হোটেলত আজি পুৱা হোৱা এটা অগ্নিকাণ্ডৰ ঘটনাত কমেও ৬৬ জন লোকে প্ৰাণ হেৰুৱায়।

*আৰু*

৫। ভাৰতে আজি কোৱালালামপুৰত অনুষ্ঠিত মহিলাৰ ১৯ বছৰ অনুৰ্ধ টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মালয়েছিয়াক ১০ উইকেটত পৰাস্ত কৰে।

ooooo

চৰকাৰে দেশত ৪ কোটিৰো অধিক সুকন্যা সমৃদ্ধি একাউণ্ট খোলা বুলি প্ৰকাশ কৰিছে। বেটী বচাও-বেটী পঢ়াও অভিযানৰ অংশ হিচাপে ২০১৫ চনৰ ২২ জানুৱাৰীত আৰম্ভ কৰা এই আঁচনিখনৰ অধীনত অভিভাৱকসকলক যিকোনো ডাকঘৰ অথবা নিৰ্ধাৰিত বাণিজ্যিক বেংক শাখাত কন্যা শিশুৰ বাবে সুকন্যা সমৃদ্ধি একাউণ্ট খোলাৰ সুবিধা প্ৰদান কৰা হয়। মাত্ৰ ২৫০ টকাৰ ন্যূনতম ধনৰাশিৰে এনে একাউণ্ট খুলিব পৰা যায়। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই আঁচনিত সম্প্ৰতি বছৰি ৮ দশমিক ২ শতাংশ হাৰত সূত প্ৰদান কৰা হয়। যোৱা ২২ জানুৱাৰীত ১০ বছৰ সম্পূৰ্ণ কৰা এই আঁচনিখনে কন্যা শিশুসকলক উজ্বল ভৱিষ্যতৰ বাবে বিনিয়োগ কৰিবলৈ উৎসাহিত কৰে।

ooooo

উত্তৰ-পশ্চিম তুৰস্কৰ এখন হোটেলত আজি পুৱা সংঘটিত এটা অগ্নিকাণ্ডৰ ঘটনাত কমেও ৬৬ জন লোক নিহত হয় আৰু ৫১ জন আহত হয়। তুৰস্কৰ আভ্যন্তৰীণ সুৰক্ষা বিষয়ক মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি দেশখনৰ বলু প্ৰদেশৰ কাৰতালকায়া নামৰ ঠাইখনত থকা এই বিলাসী হোটেলখনত সেই সময়ত

২৩৪ গৰাকী অতিথি আছিল। জুই লগাৰ কিছু সময়ৰ ভিতৰত হোটেল কৰ্তৃপক্ষই প্ৰায় ২০০ লোকক বাহিৰলৈ উলিয়াই আনিবলৈ সমৰ্থ হয়। ১২ মহলীয়া হোটেলখনত শীতৰ বন্ধৰ সময়ত ভালেসংখ্যক পৰ্য্যটকৰ আগমণ হৈছিল। হোটেলখনৰ ওপৰ মহলাৰ পৰা জপিয়াই প্ৰাণ বচাবলৈ চেষ্টা কৰা দুজন লোকৰ থিতাতে মৃত্যু ঘটে। সংবাদ মাধ্যমসমূহৰ বাতৰি অনুসৰি, সতৰ্কতামূলক ব্যৱস্থা হিচাপে ওচৰৰ হোটেলসমূহৰ অতিথিসকলক আন সুৰক্ষিত ঠাইলৈ স্থানান্তৰ কৰা হৈছে। ঘটনাৰ বিতং তথ্য উদ্‌ঘাটনৰ বাবে তুৰস্কৰ আইন মন্ত্ৰী উইলমাজ ট'ঙ্গে ছজন শীৰ্ষ বিষয়াক লৈ এটা তদন্ত গোট গঠন কৰিছে।

ooooo

চৰকাৰে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী জনজাতি আদিবাসী ন্যায় মহা-অভিযান - পি এম জনমন সন্দৰ্ভত জিলাধিপতিসকলৰ এখন ৰাষ্ট্ৰীয় অভিৰৰ্তনৰ আয়োজন কৰে। অভিৰৰ্তনত প্ৰধানমন্ত্ৰী জনমন অভিযানৰ অধীনত বাসগৃহ, পথ, অংগনৱাড়ী, বিদ্যালয় ছাত্ৰাৱাস, বহুমুখী কেন্দ্ৰ আৰু বনধন বিকাশ কেন্দ্ৰ - এই ছটা মূল বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। জনজাতীয় পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰামে উদ্বোধন কৰা এই অভিৰৰ্তনত দেশৰ ১৮ খন ৰাজ্যৰ মুঠ ৮৮ খন জিলাই প্ৰধানমন্ত্ৰী জনমন অভিযানৰ ৰূপায়ণ সম্পৰ্কে মতামত আগবঢ়ায়। চৰকাৰে অভিৰৰ্তনত অংশগ্ৰহণ কৰা ১৮ খন ৰাজ্যৰ প্ৰতিগৰাকী ব্যক্তিয়ে প্ৰধানমন্ত্ৰী জনমন অভিযানৰ উপকাৰ লাভ কৰাটো সুনিশ্চিত কৰাৰ লক্ষ্য স্থিৰ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাও ইণ্ডিয়া স্কেলড্ মাউণ্ট জি টুৱেণ্টি শীৰ্ষক গ্ৰন্থৰ বাবে জি টুৱেণ্টি শ্বেৰ্পা অমিতাভ কান্তক ভূয়সী প্ৰশংসা কৰিছে। শ্ৰীমোদীয়ে আজি সামাজিক মাধ্যমযোগে কয়, যে এই গ্ৰন্থখনিত উন্নত ধৰিত্ৰী গঢ়ি তোলাৰ বাবে মানৱকেন্দ্ৰিক বিকাশৰ বিস্তৃত বিশ্লেষণ আগবঢ়োৱা হৈছে। ইয়াৰ পূৰ্বে শ্ৰীকান্তে প্ৰধানমন্ত্ৰী মোদীক গ্ৰন্থখন প্ৰদান কৰে।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংসদীয় নিকায়সমূহ উন্নত আৰু গুৰুত্বপূৰ্ণ বিতৰ্ক আৰু আলোচনাৰ স্থানৰূপে গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিছে। বিহাৰৰ ৰাজধানী পাটনাত আজি ৮৫ সংখ্যক সৰ্বভাৰতীয় অধ্যক্ষ আৰু সভাপতিসকলক অভিৰৰ্তনৰ সামৰণি অনুষ্ঠানত ভাষণ দি অধ্যক্ষগৰাকীয়ে কয়, যে সকলো প্ৰতিনিধিয়ে আলাপ-আলোচনাৰ প্ৰসাৰৰ হকে সংকল্প গ্ৰহণ কৰিছে। তেওঁ কয়, যে সকলো অংশগ্ৰহণকাৰীয়ে সংসদীয় নিকায়সমূহৰ উৎপাদনশীলতা আৰু দায়ৱদ্ধতা বৃদ্ধি কৰিবলৈ সন্মতি প্ৰকাশ কৰাৰ বাবে এই দুদিনীয়া অভিৰৰ্তন অতিকে ফলপ্ৰসূ হৈ উঠিছে। অধ্যক্ষ আৰু সভাপতিসকলে জনসাধাৰণলৈ উন্নত সেৱা আগবঢ়াবলৈ আৰু তেওঁলোকৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ নতুন প্ৰযুক্তি আৰু দক্ষতা গ্ৰহণ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে বুলিও তেওঁ প্ৰকাশ কৰে। বিহাৰৰ ৰাজ্যপাল আৰিফ মহম্মদ খানেও প্ৰতিনিধিসকলক উদ্দেশ্য কৰি ভাষণ দিয়ে। শ্ৰীখানে কয়, যে পৰিৱৰ্তিত নিৰ্বাচনী প্ৰেক্ষাপটৰ এগৰাকী প্ৰতিনিধি হিচাপে সকলোৰে গুৰু দায়িত্ব আছে।

ooooo

৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা বিভিন্ন দলৰ প্ৰাৰ্থী আৰু তাৰকা প্ৰচাৰকসকলে ৰ'ডশ্বো, জনসভা আৰু ঘৰে ঘৰে গৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে চেষ্টা চলোৱা পৰিলক্ষিত হৈছে।

বিজেপিয়ে আজি দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে সংকল্প পত্ৰৰ দ্বিতীয় অংশ প্ৰকাশ কৰে। এই উপলক্ষে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দলৰ জ্যেষ্ঠ নেতা অনুৰাগ ঠাকুৰে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে দিল্লীৰ যুৱক-যুৱতীসকলক ১৫ হাজাৰ টকাৰ বিত্তীয় সাহায্য আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। তেওঁ কয়, যে দলে প্ৰাক্-প্ৰাথমিক পৰ্য্যায়ৰ পৰা স্নাতকোত্তৰ পৰ্য্যায়লৈ অভাৱী শিক্ষাৰ্থীসকলৰ চৰকাৰী শৈক্ষিক প্ৰতিষ্ঠানত বিনামূলীয়া শিক্ষা প্ৰদান কৰিব। কাৰিকৰী আৰু বৃত্তিমুখী পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ বাবে ড০ বি আৰ আম্বেদকাৰ জলপানি আঁচনিৰ অধীনত অনুসূচিত জাতিৰ বিদ্যাৰ্থীসকলক প্ৰতি মাহে এহেজাৰ টকাৰ জলপানি আগবঢ়োৱা হ'ব বুলি বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে প্ৰকাশ কৰে।

বিজেপিৰ সংকল্প পত্ৰৰ দ্বিতীয় অংশ সন্দৰ্ভত আম আদমী পাৰ্টীৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে কয়, যে দিল্লী চৰকাৰে কেন্দ্ৰীয়শাসিত অঞ্চলটোত শিক্ষা বিনামূলীয়া কৰি তুলিছে আৰু প্ৰায় ১৮ লাখ দুখীয়া ছাত্ৰ-ছাত্ৰীয়ে বিনামূলীয়া শিক্ষা লাভ কৰিছে। বিজেপিয়ে ক্ষমতালৈ আহিলে বিনামূলীয়া শিক্ষা, চিকিৎসা আৰু বিদ্যুৎ যোগান বন্ধ কৰিব বুলি তেওঁ দাবী কৰে।

ইপিনে, কংগ্ৰেছে দিল্লীৰ আম আদমী পাৰ্টীৰ চৰকাৰে বিগত ১০ বছৰত দলিত আৰু বাল্মিকী সমাজৰ জনসাধাৰণক অৱহেলা কৰা বুলি অভিযোগ তোলে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দলৰ জ্যেষ্ঠ নেতা ড০ উদীত ৰাজে লগতে আম আদমী পাৰ্টীয়ে দলিতসকলৰ বাবে থকা সংৰক্ষণ ব্যৱস্থাক দুৰ্বল কৰি তোলা বুলিও অভিযোগ উত্থাপন কৰে।

দিল্লী বিধানসভাৰ বাবে ৫ ফেব্ৰুৱাৰীত নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ৮ ফেব্ৰুৱাৰীত ভোট গণনা কৰা হ'ব।

০০০০০

উত্তৰ-পশ্চিম তুৰস্কৰ এখন হোটেলত আজি পুৱা সংঘটিত এটা অগ্নিকাণ্ডৰ ঘটনাত কমেও ৬৬ জন লোক নিহত হয় আৰু ৫১ জন আহত হয়। তুৰস্কৰ আভ্যন্তৰীণ সুৰক্ষা বিষয়ক মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি দেশখনৰ বলু প্ৰদেশৰ কাৰতালকায়া নামৰ ঠাইখনত থকা এই বিলাসী হোটেলখনত সেই সময়ত ২৩৪ গৰাকী অতিথি আছিল। জুই লগাৰ কিছু সময়ৰ ভিতৰত হোটেল কৰ্তৃপক্ষই প্ৰায় ২০০ লোকক বাহিৰলৈ উলিয়াই আনিবলৈ সমৰ্থ হয়। ১২ মহলীয়া হোটেলখনত শীতৰ বন্ধৰ সময়ত ভালেসংখ্যক পৰ্য্যটকৰ আগমণ হৈছিল। হোটেলখনৰ ওপৰ মহলাৰ পৰা জপিয়াই প্ৰাণ বচাবলৈ চেষ্টা কৰা দুজন লোকৰ থিতাতে মৃত্যু ঘটে। সংবাদ মাধ্যমসমূহৰ বাতৰি অনুসৰি, সতৰ্কতামূলক ব্যৱস্থা হিচাপে ওচৰৰ হোটেলসমূহৰ অতিথিসকলক আন সুৰক্ষিত ঠাইলৈ স্থানান্তৰ কৰা হৈছে। ঘটনাৰ বিতং তথ্য উদ্‌ঘাটনৰ বাবে তুৰস্কৰ আইন মন্ত্ৰী উইলমাজ ট'ঙ্গে ছজন শীৰ্ষ বিষয়াক লৈ এটা তদন্ত গোট গঠন কৰিছে।

০০০০০

**গ্ৰো ৰেল এছ জি** স্বাস্থ্য পদক্ষেপৰ অংশ হিচাপে ছিংগাপুৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ একেৰাহে মোবাইল ফোন চোৱাৰ সময় অৰ্থাৎ স্ক্ৰীণ টাইমৰ ওপৰত কঠোৰ নিয়মাৱলী জাৰি কৰা হৈছে। ১ ফেব্ৰুৱাৰীৰ পৰা ১৮ মাহৰ তলৰ বয়সৰ শিশুৰ বাবে মোবাইল ফোন চোৱা কাৰ্য্য নিষিদ্ধ কৰা হৈছে আৰু ১৮ মাহৰ পৰা ছবছৰীয়া শিশুৰ বাবে কেৱল শিক্ষাৰ সৈতে জড়িত কামসমূহৰ বাবেহে মোবাইল ফোন ব্যৱহাৰৰ অনুমতি দিয়া হৈছে। প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়সমূহৰ কৰ্তৃপক্ষই শিক্ষা দান কৰি থকাৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ পৰা মোবাইল ফোনসমূহ নিজৰ ওচৰত জমা থব লাগিব। বিশ্ৰামৰ সময়ত তথা বিদ্যালয় ছুটী হোৱাৰ পাছত ছাত্ৰ-ছাত্ৰীয়ে এইসমূহ ব্যৱহাৰ কৰিব পাৰিব। নতুন স্বাস্থ্য নিৰ্দেশনা অনুসৰি, তিনি বছৰৰ পৰা ছবছৰৰ

শিশুসকলৰ বাবে একেৰাহে মোবাইল ফোন চোৱাৰ সময় প্ৰতিদিনে এঘণ্টাতকৈ কম কৰা হৈছে আৰু ৭ বছৰৰ পৰা ১২ বছৰৰ শিশুৰ বাবে এই সময় দুঘণ্টাতকৈ কম কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। অভিভাৱকসকলক মোবাইল ফোন তথা সামাজিক মাধ্যমৰ ব্যৱহাৰ কমোৱাৰ ওপৰত গুৰুত্ব দিবলৈ কোৱা হৈছে। এই পদক্ষেপৰ জৰিয়তে পুষ্টি, উপযুক্ত পৰিমাণৰ টোপনি, শিক্ষা আৰু শাৰীৰিক কৰ্মৰে এটা স্বাস্থ্যসন্মত জীৱনশৈলী গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

ooooo

উত্তৰ কাশ্মীৰৰ জালুৰা চপৰে বনাঞ্চলত চলোৱা গুজৰপটি অভিযানৰ আজি তৃতীয় দিনা অন্ত পৰে। চোৰাংচোৱাৰ খবৰৰ পম খেদি যুটীয়াভাৱে জম্মু-কাশ্মীৰৰ সেনা আৰু আৰক্ষীয়ে দেওবাৰে এই অঞ্চলত উগ্ৰপন্থীৰ বিৰুদ্ধে এই অভিযান চলাইছিল। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীনগৰৰ আৰক্ষী মহা-নিৰীক্ষক ভি কে বিৰ্ডিয়ে জনায় যে, গোপনভাৱে জালুৰা চপৰে বনাঞ্চলত এই অভিযান চলোৱা হৈছিল আৰু তাৰ পৰিণতিত গুলিয়াগুলীৰ ঘটনাও সংঘটিত হৈছিল। এই গুলিয়াগুলীত জটিলভাৱে আঘাতপ্ৰাপ্ত এজন সৈন্য কালি শ্বহীদ হয়। সৈন্যজনক ৰাষ্ট্ৰীয় ৰাইফলছৰ ২২ নম্বৰ বেটেলিয়নৰ পংগালা কাৰ্তিক বুলি চিনাক্ত কৰা হৈছে।

ooooo

ভাৰতে আজি কোৱালালামপুৰত অনুষ্ঠিত মহিলাৰ ১৯ বছৰ অনুৰ্ধ টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মালয়েছিয়াক ১০ উইকেটত পৰাস্ত কৰে। খেলখনত আয়োজক দেশ মালয়েছিয়াই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৪ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩১ ৰাণ কৰে। ভাৰতৰ হৈ বৈষ্ণৱী শৰ্মাই ৫ টা উইকেট দখল কৰে আৰু আয়ুষী শুক্লাই তিনিটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ভাৰতে দুটা অভাৰ আৰু ৫ টা বলত এটাও উইকেট নেহেৰুৱাকৈ নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। প্ৰতিযোগিতাত আজি নিশা ৮ বজাত হ'বলগীয়া গ্ৰুপ এৰ আন এখন খেলত ৱেষ্ট ইণ্ডিজ শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

অষ্ট্ৰেলিয়ান অ'পেন টেনিছ প্ৰতিযোগিতাৰ ১১ নম্বৰ বাছনিৰ খেলুৱৈ পাউলা বাদ'ছাই আজি বিশ্বৰ তৃতীয় বাছনিৰ খেলুৱৈ ক'ক' গোফক ৭-৫, ৬-৪ ছেটত পৰাজিত কৰি মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ৰ'ড লেভাৰ এৰেনাত অনুষ্ঠিত এই খেলখনত বাদুছাই গোফক এঘণ্টা ৪৩ মিনিটৰ সময়ছোৱাত পৰাজিত কৰে। পুৰুষৰ ছিংগলছত বিশ্বৰ দ্বিতীয় বাছনিৰ খেলুৱৈ জাৰ্মানীৰ আলেকজেণ্ডাৰ জেভেৰেভে আমেৰিকাৰ টমি প'ল'ক ৭-৬, ৭-৬, ২-৬, ৬-১ ছেটত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে।

ইপিনে, মেলবৰ্ণত অনুষ্ঠিত এখন খেলত ভাৰত-চীনৰ যুটী ৰোহন বোপান্না আৰু ঝেং শুৱাইয়ে ৬-২, ৪-৬, ৯-১১ ছেটত অষ্ট্ৰেলিয়াৰ জন পীয়েৰ্ছ আৰু অলিভিয়া গেদেকীৰ হাতত পৰাস্ত হয়।

ooooo

সমাপ্ত